**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 11-06-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
**-------------------**

০০০০০০

১। আশা কৰ্মী আৰু আশা নিৰীক্ষকসকলৰ মাননী বৃদ্ধি কৰাৰ বাবে ৰাজ্য মন্ত্ৰীসভাৰ সিদ্ধান্ত।

২। বৰাক উপত্যকাৰ আৰ্থ-সামাজিক আৰু কৌশলগত দিশসমূহৰ আলোচনা সন্দৰ্ভত মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাৰ মন্ত্ৰী, বিধায়কৰ সৈতে বৈঠকত অংশগ্ৰহণ।

৩। ৰাজ্য প্ৰশাসনত গুৰুত্বপূৰ্ণ সালসলনি। কেইবাখনো জিলাৰ নতুন আয়ুক্ত।

৪। উৎকট গৰমৰ পৰিপ্ৰেক্ষিতত আজিৰেপৰা ৰাজ্যৰ বিদ্যালয়সমূহৰ পাঠদানৰ সময় সাল-সলনি। ***আৰু***

৫। এ এফ চি এছিয়ান কাপৰ কোৱালিফায়াৰত ভাৰতৰ ছিনিয়ৰ পুৰুষ ফুটবল দল হংকঙৰ হাতত ০-১ গ'লত পৰাস্ত।

০০০০০০

ৰাজ্যিক মন্ত্ৰীসভাই আশা কৰ্মী আৰু আশা নিৰীক্ষকসকলৰ মাননী বৃদ্ধি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। দিছপুৰত কালি অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকত গ্ৰহণ কৰা এই সিদ্ধান্ত অনুসৰি পহিলা অক্টোবৰৰ পৰা আশাকৰ্মীসকলে ৪ হাজাৰ আৰু আশা নিৰীক্ষকসকলে ১০ হাজাৰ ২০০ টকা মাহেকীয়া মাননী লাভ কৰিব। স্বাস্থ্য মন্ত্ৰী অশোক সিংহলে মন্ত্ৰীসভাৰ বৈঠকৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত আশাকৰ্মী আৰু আশা নিৰীক্ষকসকলৰ উদ্গনিমূলক ধনৰাশি বৃদ্ধিৰ কথা প্ৰকাশ কৰে।

**বাইট**

মন্ত্ৰীসভাই লগতে মিছন বসুন্ধৰাৰ তৃতীয় পৰ্যায়ৰ অধীনত এহেজাৰ ১১ টা অব্যক্তিগত ন্যায়িক অনুষ্ঠানৰ সপক্ষে নিষ্পত্তিৰে হোৱা ভূমি আৱণ্টনত অনুমোদন জনায়। তদুপৰি ১৪৬ টা চৰকাৰী শিক্ষা প্ৰতিষ্ঠান, কাৰ্যালয়, স্বাস্থ্য প্ৰতিষ্ঠান, অঙ্গনবাড়ী কেন্দ্ৰ আৰু অন্যান্য চৰকাৰী আন্তঃগাথনি প্ৰকল্পৰ বাবে চৰকাৰী ভূমি আৱণ্টনতো মন্ত্ৰীসভাই অনুমোদন দিয়ে। মন্ত্ৰীসভাই প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদ, অসমৰ নাম সলনি কৰি অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদ নামেৰে নামকৰণ কৰাৰ প্ৰস্তাৱতো অনুমোদন জনায়।

০০০০০০

বৰাক উপত্যকাৰ বিকাশ ত্বৰান্বিত কৰাৰ উদ্দেশ্যে মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই কালি দিশপুৰৰ লোকসেৱা ভৱনত মন্ত্ৰী, বিধায়ক তথা বৰাক উপত্যকা উন্নয়ন বিভাগৰ বিষয়া কৰ্মচাৰীসকলৰ সৈতে এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। বৈঠকত মুখ্যমন্ত্ৰীগৰাকীয়ে বৰাক উপত্যকাৰ আৰ্থসামাজিক আৰু কৌশলগত

দিশসমূহৰ ওপৰত গুৰুত্ব আৰোপ কৰি কাচাৰ, শ্ৰীভূমি আৰু হাইলাকান্দি জিলাৰ সামগ্ৰিক বিকাশৰ বাবে উমৈহতীয়া উন্নয়ন লক্ষ্যৰ পোষকতা কৰে। তেওঁ লগতে বৰাক উপত্যকাত চলি থকা উন্নয়নমূলক প্ৰকল্পসমূহ নিৰ্ধাৰিত সময়ত সম্পন্ন কৰাত গুৰুত্ব আৰোপ কৰে। তেওঁ কয় যে বৰ্তমান ৰাজ্য চৰকাৰে বৰাক উপত্যকাৰ তিনিওখন জিলাৰ জনসাধাৰণক সমানে উপকৃত কৰিব পৰা পৰিকল্পনাৰ কথা চিন্তা চৰ্চা কৰি আছে। বৰাক উপত্যকাৰ জনসাধাৰণ বিশেষকৈ ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ্থে চৰকাৰে দিল্লীৰ লগতে কলকাতাতো বৰাক উপত্যকা ভৱন স্থাপনৰ বাবে পদক্ষেপ লৈছে বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। বৈঠকত মুখ্যমন্ত্ৰীগৰাকীয়ে উপত্যকাটোৰ জিলাকেইখনৰ সকলো অসামৰিক চিকিৎসালয়ত এম আৰ আই সুবিধা আৰম্ভ কৰাৰ বাবে নিৰ্দেশ দিয়ে।

oooooo

**ৰাজ্যৰ প্ৰশাসনত গুৰুত্বপূৰ্ণ সালসলনি ঘটোৱা হৈছে। ৰাজ্য চৰকাৰে জাৰি কৰা এটা নিৰ্দেশনা অনুসৰি কেইবাখনো জিলাত নতুন আয়ুক্ত নিয়োগ কৰা হৈছে। নলবাৰী জিলাৰ আয়ুক্ত বৰ্ণালী ডেকাক ৰাজ্য চৰকাৰৰ সাধাৰণ প্ৰশাসনিক বিভাগৰ আয়ুক্ত সচিবলৈ বদলি কৰা হৈছে আৰু পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ যুটীয়া সচিব নিবেদন দাস পাটোৱাৰীক জিলাখনৰ আয়ুক্ত হিচাপে নিয়োগ কৰা হৈছে। গোৱালপাৰাৰ জিলা আয়ুক্ত খনীন্দ্ৰ চৌধুৰীক মুখ্যমন্ত্ৰীৰ সচিব পদলৈ বদলি কৰা হৈছে। নগাঁৱৰ জিলা আয়ুক্ত নৰেন্দ্ৰ শ্বাহক বদলি কৰি দেৱাশীষ শৰ্মাক নগাঁৱৰ জিলা আয়ুক্তৰ দায়িত্ব দিয়া হৈছে। একেদৰে শ্ৰমিক কল্যাণ বিভাগৰ যুটীয়া সচিব অনামিকা তিৱাৰীক মৰিগাঁও জিলাৰ আয়ুক্ত হিচাপে নিযুক্তি দিয়া হৈছে।**

oooooo

উৎকট গৰমৰ পৰিপ্ৰেক্ষিতত আজিৰেপৰা ৰাজ্যৰ বিদ্যালয়সমূহৰ পাঠদানৰ সময় সাল-সলনি কৰা হৈছে। এই অনুসৰি বিদ্যালয়সমূহৰ পাঠদান পুৱা চাৰে ৭ বজাৰ পৰা আৰম্ভ হৈছে। বিদ্যালয়সমূহৰ পৰিদৰ্শকে কালি এই সন্দৰ্ভত জাৰি কৰা নিৰ্দেশ অনুসৰি প্ৰাতঃসভা শ্ৰেণীকোঠাৰ ভিতৰত অথবা ছাঁ পৰা স্থানত অনুষ্ঠিত কৰা হৈছে। তদুপৰি ছাত্ৰ-ছাত্ৰীসকলে বিদ্যালয়ত থকা সময়ছোৱাত পৰ্যাপ্ত পৰিমাণে পানী খোৱাটো নিশ্চিত কৰাৰ বাবে বিদ্যালয়ৰ প্ৰাংগণত খোৱাপানীৰ সুবিধা নিশ্চিত কৰিবলৈ নিৰ্দেশটোত উল্লেখ কৰা হৈছে। বিদ্যালয়সমূহৰ শ্ৰেণীকোঠাত যাতে ভালদৰে বতাহ চলাচল কৰিব পাৰে আৰু সকলো বৈদ্যুতিক ফেন কাৰ্যক্ষম হৈ থকাটো নিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়া হৈছে।

oooooo

দিল্লীত ৰে'লৱে ব'ৰ্ডৰ নিযুক্তি পৰীক্ষা দিবলৈ গৈ যোৱা ৫ জুনৰ পৰা সন্ধানহীন হৈ থকা ৰশ্মিতা হোজাই নামৰ ২৬ বছৰীয়া যুৱতীগৰাকীৰ মৃতদেহ কালি উত্তৰাখণ্ডৰ পৌৰি গৰৱাল জিলাৰ এখন নদীৰ পাৰত উদ্ধাৰ কৰা হয়। হাৰিয়ানাৰ পৰা অভিযান্ত্ৰিক শিক্ষা সমাপ্ত কৰা ৰশ্মিতাই গুৱাহাটীত অসম লোকসেৱা আয়োগৰ পৰীক্ষাৰ বাবে প্ৰস্তুতি চলাই আছিল আৰু যোৱা ৪ জুনত ৰে'লৱে ব'ৰ্ডৰ নিযুক্তি পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ বাবে দিল্লীলৈ গৈছিল বুলি হাফলঙৰ পৰা আমাৰ সংবাদদাতাই প্ৰকাশ কৰিছে। ইতিমধ্যে শিৱপুৰী আৰক্ষীয়ে এই ঘটনা সংক্ৰান্তত দুজন যুৱকক গ্ৰেপ্তাৰ কৰিছে। সদৌ ডিমাচা ছাত্ৰ সন্থাৰ সভাপতি উত্তম লাংঠাছাই অসম চৰকাৰক যুৱতীগৰাকীৰ মৃতদেহ হাফলঙলৈ ঘূৰাই অনাৰ বাবে ব্যৱস্থা ল'বলৈ আহ্বান জনাইছে। ডিমাহাচাও আৰক্ষীয়ে প্ৰকাশ কৰা মতে

মৃত যুৱতীগৰাকীৰ মৰণোত্তৰ পৰীক্ষা ইতিমধ্যে সম্পূৰ্ণ হৈছে আৰু অসম চৰকাৰে উত্তৰাখণ্ড চৰকাৰৰ সৈতে যোগাযোগ কৰি আছে।

০০০০০০

কামাখ্যা মন্দিৰত অহা ২২ জুনৰ পৰা হ'বলগীয়া অম্বুবাচী মহাযোগ সুচাৰুৰূপে পৰিচালনা কৰাৰ বাবে পৰ্যটন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসৰ অধ্যক্ষতাত কালি কামৰূপ মহানগৰ জিলা আয়ুক্তৰ সভাকক্ষত এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত শ্ৰীদাসে দেশী-বিদেশী অগণন ভক্তৰ সমাগম হ'বলগীয়া অম্বুবাচী মহাযোগ শৃংখলাবদ্ধভাৱে পৰিচালনাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ বিষয়াসকলক নিৰ্দেশ দিয়ে। অম্বুবাচী মহাযোগত অংশগ্ৰহণ কৰিবলৈ অহা ভক্তসকলৰ বাবে এইবাৰ ৰাজ্য চৰকাৰে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে বুলি উল্লেখ কৰি মন্ত্ৰী শ্ৰীদাসে কয়, যে এই সমগ্ৰ বিষয়টো আলোচনাৰ বাবে কামাখ্যা মন্দিৰৰ ৩ কিলোমিটাৰ ব্যাসাৰ্ধৰ ভিতৰত দল-সংগঠনসমূহক আলোচনাৰ বাবে আমন্ত্ৰণ জনোৱা হৈছে।

**বাইট**

শ্ৰী দাসে এই সময়ছোৱাত সমদল উলিয়াই আধ্যাত্মিক পৰিৱেশ বিনষ্ট নকৰিবলৈ সকলোৰে প্ৰতি আহ্বান জনায়। মন্ত্ৰীগৰাকীয়ে লগতে অম্বুবাচী মহাযোগৰ সময়ত জোতা-চেণ্ডেল পৰিধান কৰি মা কামাখ্যা মন্দিৰলৈ নাযাবলৈও ৰাইজক আহ্বান জনায়। অম্বুবাচীৰ সময়ত কোনোধৰণৰ ভি আই পি পাছৰ কোনো ব্যৱস্থা নাথাকিব্ বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০০

ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণীৰ কল্যাণ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কালি লখিমপুৰ জিলা প্ৰশাসন, জল সম্পদ বিভাগ আৰু এন এইচ পি চিৰ বিষয়াসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। বৈঠকত জিলাখনৰ বান পৰিস্থিতিৰ লগতে বান আৰু খহনীয়া নিয়ন্ত্ৰণ আঁচনিসমূহৰ ৰূপায়ণ সন্দৰ্ভত আলোচনা কৰা হয়। মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে সামাজিক মাধ্যমযোগে জনাইছে যে সোৱণশিৰি নদীৰ ভাটিখণ্ডত ভীমপৰা, ঘূণাখুটি আৰু পূব তেলাহী পঞ্চায়তত ৰাজ্য চৰকাৰৰ অধীনত ৫৬ কোটি টকা আৰু এন এইচ পি চিৰ অধীনত ২০৯ কোটি টকা অনুমোদন দিয়া হৈছে। মন্ত্ৰীগৰাকীয়ে অহা ২০২৬ বৰ্ষৰ ফেব্ৰুৱাৰীৰ ভিতৰত কামসমূহ সম্পূৰ্ণ কৰিবলৈ বিভাগীয় কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে।

মন্ত্ৰীগৰাকীয়ে লগতে ধেমাজি জিলাত সামাজিক ন্যায় আৰু সবলীকৰণ মন্ত্ৰালয়ৰ আঁচনিৰ অধীনত ৬২৩ গৰাকী দিব্যাংগ হিতাধিকাৰীৰ মাজত ৩ হাজাৰ ৫৩৩ বিধ সা-সঁজুলি বিতৰণ কৰে। ভাৰতীয় কৃত্ৰিম অংগ উৎপাদন নিগমৰ উদ্যোগত আৰু জিলা প্ৰশাসনৰ সহযোগত ধেমাজিৰ ৰাজহুৱা প্ৰেক্ষাগৃহত আয়োজিত সামাজিক অধিকাৰিতা শিবিৰত অংশগ্ৰহণ কৰি ডাঃ পেগুৱে কয়, যে নিজৰ অক্ষমতাৰ বিষয়ে চিন্তা-চৰ্চা কৰাৰ পৰিৱৰ্তে সক্ষম দিশসমূহত মনোনিৱেশ কৰিলে সফলতা লাভ কৰিব পাৰি।

০০০০০০

সেৱা, সুশাসন আৰু দৰিদ্ৰ কল্যাণৰ আদৰ্শৰে দেশে ৰূপান্তৰৰ এটা দশক সম্পূৰ্ণ কৰিছে। চৰকাৰে যোৱা ১১ বছৰে বিভিন্ন গুৰুত্বপূৰ্ণ ক্ষেত্ৰত গ্ৰহণ কৰা পদক্ষেপসমূহৰ সন্দৰ্ভত আকাশবাণীয়ে বিশেষভাৱে প্ৰচাৰ কৰি আহিছে। আজিৰ শিতানত চৰকাৰৰ সংস্কাৰমূলক নীতি আৰু পদক্ষেপে কিদৰে প্ৰতিগৰাকী নাগৰিকৰ

দৈনন্দিন জীৱন সহজ, অধিক সুৰক্ষিত আৰু অধিক মৰ্যাদাপূৰ্ণ কৰি তুলিছে এই সন্দৰ্ভত আলোকপাত কৰা হৈছে।

বিগত দশকত মধ্যবিত্ত শ্ৰেণীৰ দৈনন্দিন জীৱন উন্নত কৰাত চৰকাৰে বিশেষ গুৰুত্ব প্ৰদান কৰি আহিছে। গৃহ নিৰ্মাণ আৰু স্বাস্থ্য সেৱাৰ পৰা আৰম্ভ কৰি ডিজিটেল সেৱা পৰ্যন্ত চৰকাৰে মধ্যবিত্ত শ্ৰেণীৰ জীৱন সহজ আৰু অধিক সুৰক্ষিত কৰাৰ বাবে চেষ্টা অব্যাহত ৰাখিছে। প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত চহৰাঞ্চলত এক কোটি ১৬ লাখৰো অধিক গৃহৰ অনুমোদন জনোৱা হৈছে আৰু কমেও ৯৩ লাখ গৃহৰ নিৰ্মাণ সম্পূৰ্ণ কৰা হৈছে। একেদৰে প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনা বিশ্বৰ সৰ্ববৃহৎ ৰাজহুৱা পুঁজি সম্বলিত স্বাস্থ্য বীমা আঁচনি হিচাপে পৰিগণিত হৈছে।

০০০০০০

দেশত সম্প্ৰতি ছহেজাৰ ৮১৫ জন লোকৰ দেহত COVID ৰ সংক্ৰমণ ধৰা পৰিছে। বৰ্তমানলৈকে ৭ হাজাৰ ৬৪৪ গৰাকী COVID ৰোগীক চিকিৎসালয়ৰ পৰা অব্যাহতি দিয়া হৈছে। COVID- ত দিল্লী, ঝাৰখণ্ড আৰু কেৰালাত এজনকৈ লোকৰ মৃত্যু হৈছে। অৱশ্যে এই লোককেইজন শ্বাস-প্ৰশ্বাসজনিত সমস্যা, উচ্চ ৰক্তচাপ, নিউমোনিয়াকে ধৰি বিভিন্ন ৰোগত আক্ৰান্ত আছিল বুলি স্বাস্থ্য মন্ত্ৰ্যালয়ে প্ৰকাশ কৰিছে। মন্ত্ৰ্যালয়ে COVID-ৰ এই নতুন প্ৰকাৰক লৈ ভীতিগ্ৰস্ত নহ'বলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনাইছে।

ইপিনে, মণিপুৰ বিশ্ববিদ্যালয়ৰ এগৰাকী শিক্ষাৰ্থীৰ দেহত COVID-ৰ সংক্ৰমণ ধৰা পৰাৰ কথা ৰাজ্যখনৰ স্বাস্থ্য সেৱা সঞ্চালকালয়ে সদৰি কৰিছে। মণিপুৰ স্বাস্থ্য সেৱা সঞ্চালক ডাঃ চেম্ব' গ'লমেই আকাশবাণীৰ বাতৰি বিভাগক এই সন্দৰ্ভত কয়, যে সম্প্ৰতি ইম্ফলত এটা ভাৰাঘৰত বাস কৰা বিষ্ণুপুৰ জিলাৰ ছাত্ৰীগৰাকীৰ দেহত COVID-ৰ সংক্ৰমণ চিনাক্ত কৰা হয়। সঞ্চালকগৰাকীয়ে COVID প্ৰতিৰোধৰ বাবে মণিপুৰ চৰকাৰ সম্পূৰ্ণৰূপে সাজু আছে বুলি উল্লেখ কৰি জনসাধাৰণক ভীতিগ্ৰস্ত নহ'বলৈ আৰু এইক্ষেত্ৰত থকা নীতি-নিৰ্দেশনাসমূহ মানি চলিবলৈ আহ্বান জনায়।

০০০০০০

বৰপেটা জিলাৰ কান্দাপাৰা গাঁৱত যোৱা নিশা সংঘটিত অগ্নিকাণ্ডৰ ঘটনাত ৬ গৰাকী লোক গুৰুতৰভাৱে আহত হৈছে। গাঁওখনৰ আফজল ৰহমান নামৰ এজন ব্যক্তিৰ ঘৰত অগ্নিকাণ্ডৰ সূত্ৰপাত হয়। তিনিটাকৈ ঘৰ সম্পূৰ্ণৰূপে ভস্মীভূত হোৱাৰ লগতে এটা চিলিণ্ডাৰো বিস্ফোৰণ হয়। বিদ্যুতৰ বিজুতিৰ ফলতেই অগ্নিকাণ্ড সংঘটিত হোৱাৰ সন্দেহ কৰা হৈছে। আহত ব্যক্তিসকলক বৰপেটাৰ ফখৰুদ্দিন আলী আহমেদ চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালত ভৰ্তি কৰা হৈছে।

০০০০০০

**মোদী চৰকাৰৰ ১১ বছৰ-সংকল্পৰ পৰা সিদ্ধিলৈ' শীৰ্ষক কাৰ্যসূচীৰ অংশ হিচাপে কালি ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয়ত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এখন সংবাদমেল সম্বোধন কৰি কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে অসমৰ উন্নয়নক নতুন দিগন্তলৈ লৈ গ'ল আৰু ২০১৪ৰ পূৰ্বৰ অসমৰ লগত ২০২৫ৰ অসমৰ আকাশ-পাতাল পাৰ্থক্য আছে। এই বাতৰিটোক অসমীয়া খবৰ, দৈনিক অগ্ৰদূত, দৈনিক অসমকে ধৰি প্ৰায়কেইখন কাকতেই প্ৰথম পৃষ্ঠাত পৰিৱেশন কৰিছে। ৰাষ্ট্ৰসংঘৰ জনসংখ্যা ন্যাসৰ এখন প্ৰতিবেদন অনুসৰি চলিত বৰ্ষৰ শেষত ভাৰতৰ মুঠ জনসংখ্যা ১৪৬কোটি হব**

আৰু ভাৰতে ইতিমধ্যে চীনক পিছ পেলাই ভাৰত বিশ্বৰ বৃহত্তম জনসংখ্যাৰ দেশত পৰিণত হৈছে। এই বাতৰিটোক **অসমীয়া প্ৰতিদিন** কাকতে মুখ্য বাতৰি হিচাপে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। THE TIMES OF INDIA কাককতো বাতৰিটোক গুৰুত্বসহকাৰে প্ৰকাশ কৰা হৈছে। অষ্ট্ৰিয়াৰ গ্ৰেজ চহৰত কালি এখন বিদ্যালয়ত সংঘটিত এটা গুলীচালনাৰ ঘটনাত ১০ নিহত হোৱাৰ লগতে আন ১২জন আহত হোৱাৰ বাতৰিটো **দৈনিক জনমভূমি** কাকতত প্ৰকাশ কৰা হৈছে। দেশ কঁপাই যোৱা ইন্দোৰৰ ৰাজা ৰঘুবংশী হত্যা কাণ্ডৰ ন ন তথ্য পোহৰলৈ আহিছে। ২০লাখ টকাৰ বিনিময়ত অভিযুক্ত সোনম ৰঘুবংসীয়ে স্বামীক হত্যাৰ ষড়যন্ত্ৰ ৰচনা কৰিছিল বুলি এটা বাতৰি **আমাৰ অসম** কাকতে প্ৰকাশ কৰিছে। একেটা ঘটনাৰে জড়িত সকলো আটকাধীন অভিযুক্তক আজি মেঘালয় আৰক্ষীয়ে আদালতত হাজিৰ কৰোৱাব। এই বাতৰিটোয়ে THE SENTINAL কাকতৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে। অসম কেবিনেটে আশাকৰ্মী আৰু নিৰীক্ষকৰ  দৰমহা বৃদ্ধিৰ প্ৰস্তাৱত অনুমোদন জনোৱা বাতৰিটো অনান্য কাকতসমূহৰ লগতে THE ASSAM TRIBUNE কাকতৰো প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰা হৈছে।

০০০০০০

এ এফ চি এছিয়ান কাপত কালি সন্ধিয়া ক'লুনত অনুষ্ঠিত এখন কোৱালিফায়াৰ মেচত আয়োজক হংকঙৰ হাতত ভাৰতৰ ছিনিয়ৰ পুৰুষ ফুটবল দলটো ০-১ গ'লত পৰাস্ত হয়। খেলখনত ৯৪ মিনিটত হংকঙৰ ষ্টেফান পেৰেইৰাই এচা গ'ল দি দলটোৰ জয় নিশ্চিত কৰে। এই পৰাজয়ৰ পাছত ২০২৭ চনত ছৌদি আৰৱত হ'বলগীয়া এছিয়ান কাপৰ বাবে ভাৰতৰ যোগ্যতা অৰ্জনৰ সম্ভাৱনা ক্ষীণ হোৱাৰ লগতে ফিফাৰ ৰেংকিঙতো ভাৰত ১৩৩ নম্বৰ স্থানলৈ অৱনমিত হোৱাৰ সম্ভাৱনা আছে। গ্ৰুপ চি পৰ্যায়ৰ আন এখন খেলত ছিংগাপুৰে বাংলাদেশক ২-১ গ'লত পৰাস্ত কৰি শীৰ্ষস্থান দখল কৰাৰ বিপৰীতে হংকং বৰ্তমান তালিকাৰ দ্বিতীয় স্থানত আছে।

০০০০০০

বতৰৰ বতৰা-

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হোৱাৰ লগতে পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। অৱশ্যে গৰমৰ প্ৰকোপ আজিও অব্যাহত থাকিব। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৭ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২৬ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

০০০০০০

সমাপ্ত